নং ঃ ৭০২/২০২০

# মহানগৰীৰ গণেশগুৰি চাৰিআলিৰ  আৰ জি বৰুৱা পথৰ পৰা বিষ্ণু ৰাভা উৰণীয়া সেঁতু সংযোগী নৱনিৰ্মিত উৰণীয়া সেঁতুৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## গুৱাহাটী মহানগৰী ৰাজ্যখনৰ আত্মা হোৱা হেতুঁ  চৰকাৰে মহানগৰীখনত বহু সংখ্যক আন্তঃগাঁথনিমূলক তথা উদ্ভাৱনীমূলক পদক্ষেপ লৈ আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২২ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গণেশগুৰি চাৰিআলিৰ আৰ জি বৰুৱা পথৰ পৰা বিষ্ণুৰাভা উৰণীয়া সেঁতু সংযোগী নতুনকৈ নিৰ্মাণ কৰি উলিওৱা উৰণীয়া সেঁতুখন আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰি ৰাইজৰ সেৱাত উৎসৰ্গিত কৰে। উল্লেখ্য যে ৪২৫.৫০ মিটাৰ দৈৰ্ঘ্যৰ এই উৰণীয়া সেঁতুখন ২০১৮-১৯ বৰ্ষৰ ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ ৫৮.৭৪ কোটি টকা ব্যয়ৰে লোকনিৰ্মাণ (পথ) বিভাগে নিৰ্মাণ কৰিছে। এই উৰণীয়া সেঁতুখনৰ আধাৰশিলা ২০১৯ বৰ্ষৰ ৬ মাৰ্চত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে স্থাপন কৰিছিল। এই উৰণীয়া সেঁতুখনৰ নিৰ্মাণৰ লক্ষ্য ৩০ মাহ ধাৰ্য কৰা হৈছিল যদিও মাত্ৰ ১৯ মাহৰ ভিতৰতে মেচাৰ্চ গৌতম কনষ্ট্ৰাকচ্‌নৰ দ্বাৰা সম্পূৰ্ণ কৰা হৈছে।

উৰণীয়া সেঁতুখন উদ্বোধন কৰি এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি লক্ষ্য নিৰ্দ্ধাৰিত সময়ৰ বহু পূৰ্বে এই উৰণীয়া সেঁতুখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা দিশটোৱে ৰাজ্য চৰকাৰৰ সু-শাসনৰ এক উজ্জ্বল পৰিচায়ক বুলি মুখ্যমন্ত্ৰীয়ে কয়। লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিভাগে এই প্ৰকল্পটো যথেষ্ট দ্ৰুততাৰে সম্পন্ন কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শলাগ লয়। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে শাসনভাৰ লোৱাৰে পৰা ৰাজ্য চৰকাৰখনে প্ৰকল্পসমূহ মানসম্পন্ন তথা সময় নিৰ্দ্ধাৰিতভাৱে সম্পূৰ্ণ কৰাৰ দিশত যথোচিত গুৰুত্ব আৰোপেৰে সু-প্ৰশাসন প্ৰতিষ্ঠাৰ দিশত নিৰৱচ্ছিন্নভাৱে কৰ্মত ব্ৰতী হৈ আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

গুৱাহাটীক ৰাজ্যখনৰ আত্মা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বিশ্ব প্ৰেক্ষাপটত গুৱাহাটীক দাঙি ধৰাৰ বাবে ৰাজ্য চৰকাৰে বহু সংখ্যক আন্তঃগাঁথনিমূলক প্ৰকল্প ৰূপায়ণৰ লগতে উদ্ভাৱনীমূলক পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয় যাতে মহানগৰীখনক দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে যোগাযোগৰ এক স্নায়ুকেন্দ্ৰ হিচাপে গঢ় দিব পৰা যায়।

মহানগৰীখনৰ আঢ়ৈ কঠা মাটি পৰ্যন্ত দ্বিতীয় মহলালৈকে গৃহ নিৰ্মাণৰ দিশত জি এম ডি এ আৰু জি এম চি এ অনলাইনৰ জৰিয়তে থিতাতে অনুমোদন জনোৱাৰ বাবে অলপতে ‘মুখ্যমন্ত্ৰীৰ সহজ গৃহ নিৰ্মাণ আঁচনি’ৰ শুভাৰম্ভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে মহানগৰীৰ গৃহ সমূহৰ বাবে এক সুকীয়া ৰং ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে যাতে ইয়ে এক সুকীয়া পৰিচয় বহন কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে  এই দিশত এক আলাপ-আলোচনা আৰম্ভ কৰাৰ বাবে লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু গুৱাহাটী মহানগৰ উন্নয়ন মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যক আহ্বান জনায় যাতে এই বিষয়ত এক সহমতত উপনীত হ’ব পৰা যায়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে মহানগৰীৰ চুপাৰ মাৰ্কেট আৰু মালিগাঁৱত অলপতে নিৰ্মাণ কাৰ্য আৰম্ভ কৰা উৰণীয়া সেঁতুসহ ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত সৰ্বমুঠ ১৬ খন উৰণীয়া সেঁতুৰ নিৰ্মাণৰ কাম চলি আছে। মহানগৰীৰ ৰিহাবাৰীৰ সৈতে আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়ক সংযোগ কৰি এখন নতুন উৰণীয়া সেঁতু নিৰ্মাণৰ বাবে প্ৰস্তাৱ লোৱা হৈছে বুলিও তেওঁ কয়। মহানগৰীৰ ৰিহাবাৰীৰ পৰা পানবজাৰলৈ এক্সপ্ৰেছ কৰিড'ৰ তথা চান্দমাৰিৰ পৰা নুনমাটিলৈ 'ইলেভেটেট' উৰণীয়া সেঁতু নিৰ্মাণৰ লেখীয়া আন্তঃগাঁথনিমূলক প্ৰকল্প ৰূপায়ণৰ বাবে চৰকাৰে পৰিকল্পনা কৰি আছে বুলিও মন্ত্ৰী গৰাকীয়ে কয়। গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলঙৰ কাম প্ৰায় ৩০ শতাংশ সম্পূৰ্ণ হৈছে বুলি উল্লেখ কৰি মন্ত্ৰী গৰাকীয়ে মহানগৰীৰ কিছু সংখ্যক জটিল স্থানত 'ইলেভেটৰ'ৰ সৈতে ৯ খন ফুটব্ৰীজৰ নিৰ্মাণ কাৰ্য দ্ৰুত গতিত চলি আছে বুলিও কয়। এই ফুটব্ৰীজ কেইখন ডিচেম্বৰৰ পৰা আগন্তুক বৰ্ষৰ ফেব্ৰুৱাৰীৰ ভিতৰত ৰাইজৰ সেৱাত উৎসৰ্গিত কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে কয়। লোক নিৰ্মাণ আৰু স্বাস্থ্য বিভাগৰ মন্ত্ৰীগৰাকীয়ে লগতে কয় যে ৰাজ্যৰ স্বাস্থ্য বিভাগে মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতাল আৰু টিবি হাস্পতালৰ চৌহদ সংযোগীকৰণেৰে মহানগৰীত আৰু এখন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিব।

অনুষ্ঠানত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহনেও বক্তব্য প্ৰদান কৰে।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে এই প্ৰকল্প ৰূপায়ণৰ সৈতে জড়িত নিৰ্মাণ কোম্পানীৰ প্ৰতিনিধি তথা লোক নিৰ্মাণ বিভাগৰ অভিযন্তাসকলকো সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

লোক নিৰ্মাণ (পথ)ৰ আয়ুক্ত সচিব ৰাজেশ কেম্প্ৰাইয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়ক ৰূপক শৰ্মা, লোক নিৰ্মাণ (ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ আয়ুক্ত সচিব ৰাজ চক্ৰৱৰ্তী, মুখ্য অভিযন্তা দিলীপ কুমাৰ হাজৰিকাকে ধৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**বীঃগঃ / বঃভাঃ**
**২২/১০/২০২০**